**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 20-11-2023**
**Time :** 19-10 Hrs.

***Assamese Evening Bulletin***
**::::::::::::::::::::::::::::::::::**

১। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীত অষ্ট্ৰেলিয়াৰ উপ প্ৰধানমন্ত্ৰী তথা প্ৰতিৰক্ষা মন্ত্ৰী ৰিচাৰ্ড মাৰ্লছ্‌ৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়।

২। ভাৰতীয় নিৰ্বাচন আয়োগে দেশৰ যোগ্য নাগৰিকসকলক বিশেষ সংক্ষিপ্ত সংশোধিত ভোটাৰ তালিকা ২০২৪ত নিজৰ নাম তথা সবিশেষ শুদ্ধভাৱে লিপিবদ্ধ কৰিবলৈ আহ্বান জনাইছে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন প্ৰজন্মক চাওতালী ভাষাৰ প্ৰতি আকৰ্ষিত কৰাৰ উদ্দেশ্যে এই ভাষাৰ সাহিত্যিকসকলক ন-ন গ্ৰন্থ ৰচনা কৰিবলৈ আহ্বান জনাইছে।

৪। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী মনসুখ মন্দাভিয়াই আজি নতুন দিল্লীৰ প্ৰগতি ময়দানত চলি থকা ভাৰত আন্তৰাষ্ট্ৰীয় বাণিজ্য মেলা ২০২৩ ৰ স্বাস্থ্য মণ্ডপ পৰিদৰ্শন কৰে। *আৰু*

৫। পৰ্যটন মন্ত্ৰালয়ে উত্তৰ-পূৰ্বাঞ্চলত পৰ্যটনৰ অপাৰ সম্ভাৱনা সম্পৰ্কে সজাগতা সৃষ্টিৰ বাবে কাইলৈৰ পৰা শ্বিলঙত আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলা অনুষ্ঠিত কৰিব।

ooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীত অষ্ট্ৰেলিয়াৰ উপ প্ৰধানমন্ত্ৰী তথা প্ৰতিৰক্ষা মন্ত্ৰী ৰিচাৰ্ড মাৰ্লছ্‌ৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। দুয়োগৰাকী মন্ত্ৰীয়ে আজি সন্ধিয়াৰ ভাগলৈ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰ আৰু অষ্ট্ৰেলিয়াৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী পেন্নি ৱঙৰ সৈতে দুয়োখন দেশৰ বিশেষ বৈঠকত মিলিত হ'ব। ইপিনে, ড° জয়শংকৰে অষ্ট্ৰেলিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীৰ সৈতে বৈঠকত মিলিত হয়। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত তেওঁ কয় যে তেওঁলোকে পশ্চিম এছিয়া সন্দৰ্ভত মত বিনিময় কৰাৰ লগতে ভাৰত প্ৰশান্ত মহাসাগৰীয় কৌশলগত দৃশ্যপটত প্ৰভাৱিত কৰা শেহতীয়া ঘটনাৱলী সন্দৰ্ভতো আলোচনাত মিলিত হয়। তদুপৰি তেওঁলোকে বিশ্বকাপ ক্ৰিকেটৰ ফাইনেল খেল সন্দৰ্ভতো কথা পাতে।

ooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আৰ্জেণ্টিনাৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত জয়লাভ কৰাৰ বাবে জেভিয়াৰ মিলেইক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে ভাৰত আৰ্জেণ্টিনাৰ কৌশলগত মিত্ৰতা অধিক ব্যাপক কৰি তোলাৰ উদ্দেশ্যে তেওঁৰ সৈতে নিবিড়ভাৱে কাম কৰাৰ বাবে আগ্ৰহ প্ৰকাশ কৰে।

ooo

ভাৰতীয় নিৰ্বাচন আয়োগে দেশৰ যোগ্য নাগৰিকসকলক বিশেষ সংক্ষিপ্ত সংশোধিত ভোটাৰ তালিকা ২০২৪ত নিজৰ নাম তথা সবিশেষ শুদ্ধভাৱে লিপিবদ্ধ কৰিবলৈ আহ্বান জনাইছে। এই প্ৰক্ৰিয়া অহা ৯ ডিচেম্বৰলৈ চলিব। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত আয়োগে প্ৰকাশ কৰে যে, এই তালিকাৰ

অধীনত নাগৰিকসকলে তেওঁলোকৰ ভোটাৰ পৰিচয়পত্ৰৰ সবিশেষ লিপিবদ্ধ কৰাৰ লগতে সংশোধন কৰিব পাৰিব। তদুপৰি তেওঁলোকে ঠিকনাৰো সাল সলনি কৰিব পাৰিব।

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভোটাৰ তালিকাৰ সংশোধনী গুৰুত্বপূৰ্ণ হৈ উঠিছে। যুৱ চামৰ অন্তৰ্ভুক্তিৰ ওপৰত বিশেষ গুৰুত্বসহ এখন বিশুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰাই হৈছে ইয়াৰ উদ্দেশ্য। অহা বছৰৰ পহিলা জানুৱাৰীৰ পূৰ্বে ১৮ বছৰ সম্পূৰ্ণ হবলগীয়া যুৱক-যুৱতীয়ে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰাৰ বাবে আবেদন জনাব পাৰিব। সমাগত লোকসভা নিৰ্বাচনৰ পূৰ্বে যুৱ ভোটদাতাৰ বাবে এয়া এটা সুযোগ হিচাপে বিবেচিত হৈছে। অহা ২৬ ডিচেম্বৰৰ পূৰ্বে আয়োগে ওজৰ আপত্তিসমূহ নিষ্পত্তি কৰিব। অহা ৫ জানুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ পাব। নাগালেণ্ডত অহা ১০ জানুৱাৰীত ভোটাৰ তালিকা প্ৰকাশ পাব। উল্লেখযোগ্য যে, ভাৰতৰ নিৰ্বাচন আয়োগে প্ৰতি বছৰে উপযুক্ত নাগৰিকসকলক ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ উদ্দেশ্যে প্ৰতি ত্ৰিমাসিকত সংক্ষিপ্ত ভোটাৰ তালিকাৰ সংশোধন কৰে।

০০০

নিৰ্বাচন আয়োগে জনাইছে যে বিধানসভা নিৰ্বাচন চলি থকা পাচোখন ৰাজ্যত নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰে পৰা এহেজাৰ ৭৬০ কোটি টকাৰো অধিক নগদ টকা বাজেয়াপ্ত কৰা হৈছে। ২০১৮ চনত মিজোৰাম, মধ্যপ্ৰদেশ, চত্তিশগড়, ৰাজস্থান আৰু তেলেংগানাত অনুষ্ঠিত বিগত বিধানসভা নিৰ্বাচনৰ সময়ত বাজেয়াপ্ত হোৱা প্ৰায় ২১৫ কোটি টকাৰ তুলনাত এইবাৰৰ বাজেয়াপ্ত ধনৰাশি প্ৰায় ৭ গুণৰো অধিক। এইবাৰৰ ধনৰাশিৰ ভিতৰত তেলেংগানাত সৰ্বাধিক প্ৰায় ৬৫৯ কোটি টকা, ৰাজস্থান, ৬৫০ কোটি টকা, আৰু মধ্যপ্ৰদেশত ৩২৩ কোটি টকা বাজেয়াপ্ত কৰা হৈছে। উল্লেখযোগ্য যে, এইবাৰৰ বাজেয়াপ্ত হোৱা বিপুল পৰিমাণৰ ধনৰাশিয়ে নিৰ্বাচন আয়োগৰ মুক্ত, নিকা আৰু প্ৰৰোচনামুক্ত নিৰ্বাচন অনুষ্ঠিত কৰাৰ দিশত গ্ৰহণ কৰা শক্তিশালী ব্যৱস্থাসমূহকে প্ৰতিপন্ন কৰে।

০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন প্ৰজন্মক চাওতালী ভাষাৰ প্ৰতি আকৰ্ষিত কৰাৰ উদ্দেশ্যৰে চাওতালী ভাষাৰ সাহিত্যিকসকলক ন-ন গ্ৰন্থ ৰচনা কৰিবলৈ আহ্বান জনাইছে। আজি ওড়িশাৰ ময়ুৰভঞ্জ জিলাৰ বৰিপাৰাত ৩৬ সংখ্যক সৰ্বভাৰতীয় চাওতালী লেখক সন্থাৰ বাৰ্ষিক অধিবেশন আৰু সাহিত্য উৎসৱ উদ্বোধন কৰি চাওতালী ভাষাতে দিয়া ভাষণত ৰাষ্ট্ৰপতিগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, চাওতালী ভাষা কোৱা প্ৰতিজন মানুহে প্ৰথমে নিজৰ ভাষাটোক ভাল পাই, ইয়াক জনপ্ৰিয় কৰাৰ দিশত কাম কৰা উচিত। ৰাষ্ট্ৰপতিগৰাকীয়ে চাওতালী ভাষাৰ সাহিত্যিকসকলক তেওঁলোকে চাওতালসকলৰ সমৃদ্ধ ঐতিহ্য, পৰম্পৰা আৰু ভাষাক ৰক্ষণা বেক্ষণ দিয়াৰ ক্ষেত্ৰত লোৱা প্ৰচেষ্টাসমূহৰ বাবে ভূয়সী প্ৰসংশা কৰে। উল্লেখযোগ্য যে, চাওতালী ভাষা হৈছে এটা মুণ্ডা ভাষা আৰু মূলতঃ ইয়াক ভাৰতৰ ওড়িশা, পশ্চিমবংগ, চত্তিশগড় আৰু ঝাৰখণ্ডত ব্যৱহাৰ কৰা হয়। ভাৰত তথা ইয়াৰ চুবুৰীয়া দেশ বাংলাদেশ আৰু নেপালত প্ৰায় ৭০ লাখ চাওতালী ভাষা ব্যৱহাৰ কৰা লোক আছে আৰু ই আমাৰ দেশৰ চৰকাৰীভাৱে স্বীকৃতিপ্ৰাপ্ত ভাষাসমূহৰ অন্যতম।

উল্লেখযোগ্য যে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু তেওঁৰ গৃহ জিলা ময়ুৰভঞ্জ আৰু চম্বলপুৰ জিলাত আয়োজিত বিভিন্ন কাৰ্যসূচীত ভাগ লোৱাৰ উদ্দেশ্যে তিনিদিনীয়া ভ্ৰমণসূচী লৈ ওড়িশাত উপস্থিত হৈছে। তেওঁ ময়ুৰভঞ্জ জিলাৰ কুলিয়ানাত একলব্য মডেল আবাসিক বিদ্যালয় মুকলি কৰিব। ওড়িশাত অনুমোদিত ৮৭খন নতুন একলব্য মডেল আবাসিক বিদ্যালয়ৰ ভিতৰত কেৱল ময়ুৰভঞ্জ জিলাৰ প্ৰতিটো ব্লকত এখনকৈ

মুঠ ১৯খন বিদ্যালয় আছে। যিটো দেশৰ সকলো ৰাজ্যৰ ভিতৰতে সৰ্বাধিক। এই বিদ্যালয় হৈছে জনজাতীয় ছাত্ৰ-ছাত্ৰীসকলক গুণগত শিক্ষা প্ৰদানৰ বাবে ভাৰত চৰকাৰ ধ্বজাবাহী আঁচনি।

গৃহ জিলাখনত ভ্ৰমণৰ দ্বিতীয় দিনা শ্ৰীমতী মুৰ্মুৱে পাহাড়পুৰ জিলাত এটা দক্ষতা প্ৰশিক্ষণ কেন্দ্ৰ মুকলি কৰাৰ লগতে ময়ুৰভঞ্জ জিলাৰ বাদামপাহাড় ৰেলৱে ষ্টেচনত তিনিখন নতুন ৰে'ল মুকলি কৰিব। সন্ধিয়া ৰাষ্ট্ৰপতিগৰাকীয়ে চম্বলপুৰ জিলাৰ বুৰ্লাত বীৰ সুৰেন্দ্ৰ ছাই প্ৰযুক্তি বিশ্ববিদ্যালয়ৰ ১৫ সংখ্যক বাৰ্ষিক সমাৱৰ্তনত অংশগ্ৰহণ কৰিব। গৃহ জিলাখন ভ্ৰমণৰ অন্তিম দিনা শ্ৰীমতী মুৰ্মুৱে চম্বলপুৰত ব্ৰহ্মকুমাৰীৰ দ্বাৰা আয়োজিত ৰাষ্ট্ৰীয় শিক্ষা অভিযান- ‟নতুন ভাৰতৰ বাবে নতুন শিক্ষা” মুকলি কৰিব।

০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী মনসুখ মন্দাভিয়াই আজি নতুন দিল্লীৰ প্ৰগতি ময়দানত চলি থকা ভাৰত আন্তৰাষ্ট্ৰীয় বাণিজ্য মেলা ২০২৩ ৰ স্বাস্থ্য মণ্ডপ পৰিদৰ্শন কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আয়ুষ্মান ভাৰত ডিজিটেল মিছন, প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ দৰে চৰকাৰী স্বাস্থ্য আঁচনি তথা প্ৰতিষ্ঠানসমূহৰ বিশেষ বিপনীসমূহ পৰিদৰ্শন কৰে। আকাশবাণীৰ সংবাদদাতাই জনোৱা অনুসৰি এই মণ্ডপৰ অন্যতম আকৰ্ষণ হৈছে আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ বিপনী। কেইবাগৰাকীও পৰিদৰ্শনকাৰীয়ে ইয়াত ৫ টা খেপৰ অনলাইন ব্যৱস্থাত মাধ্যমেৰে আয়ুষ্মান ভাৰত কাৰ্ডৰ ব্যৱস্থা কৰিছে। এই আঁচনিখনৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে এই বিপনী স্থাপন কৰা হৈছে। তদুপৰি ইয়াৰ জৰিয়তে অধিক সংখ্যক জনসাধাৰণক বিনামুলীয়া স্বাস্থ্য সেৱাৰ আওতাত সামৰি লোৱাৰ প্ৰচেষ্টা চলোৱা হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি এতিয়ালৈ এই আঁচনিৰ অধীনত ২৭ কোটি আয়ুষ্মান কাৰ্ডৰ ব্যৱস্থা কৰা হৈছে। এই মণ্ডপত আয়ুষ্মান ভাৰত ডিজিটীয় অভিযানৰো সবিশেষ সন্নিবিষ্ট কৰা হৈছে। এই অভিযান হৈছে ডিজিটীয় স্বাস্থ্য পৰিবেশতন্ত্ৰ সৃষ্টি কৰিবলৈ চৰকাৰৰ ধ্বজাবাহী আঁচনি। এই আঁচনিৰ অধীনত হিতাধিকাৰীসকলৰ বাবে আয়ুষ্মান ভাৰত স্বাস্থ্য একাউণ্টৰ ব্যৱস্থা কৰা হৈছে। স্বাস্থ্য মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি ইতিমধ্যে ৪৮ কোটি লোকে এনে একাউণ্টৰ সুবিধা লাভ কৰিছে। ০

০০০

আকাশবাণীৰ দ্বিভাষিক লাইভ ফোন ইন অনুষ্ঠান **পাব্লিক স্পিকত** আজি নিশা চাৰে ন বজাত আয়ুষ্মান ভাৰত সকলোৰে বাবে সুলভ স্বাস্থ্য সেৱা শীৰ্ষক এটি আলোচনা আগবঢ়োৱা হব। ইয়াত অংশগ্ৰহণ কৰিব ৰাষ্ট্ৰীয় স্বাস্থ্য প্ৰাধিকৰণৰ অতিৰিক্ত মুখ্য কাৰ্যবাহী বিষয়া ডাঃ বসন্ত গাৰ্গে। অনুষ্ঠান চলি থকাৰ সময়ত শ্ৰোতাসকলে বিশেষজ্ঞ ব্যক্তিগৰাকীক আয়ুষ্মান ভাৰত আন যিকোনো এই সম্পৰ্কীয় প্ৰশ্ন সুধিব পাৰিব। অংশগ্ৰহণ কৰিবলৈ আগ্ৰহী শ্ৰোতাসকলে ০১১-২৩৩১৪৪৪৪ আৰু ০১১-২৩৭১৭১০৬ এই নম্বৰত নিশা চাৰে ন বজাৰ পৰা ফোন কৰিব পাৰিব।

আনহাতে, শ্ৰোতাসকলে ৯২৮৯০৯৪০৪৪ নম্বৰত ৱাটছএপ যোগেও তেওঁলোকৰ প্ৰশ্নসমূহ পঠিয়াব পাৰে। অনুষ্ঠানটো আকাশবাণী গল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুৱেন্সিসমূহতো শুনিবলৈ পোৱা যাব। ইয়াৰ উপৰি অনুষ্ঠানটো আমাৰ ৱেৱছাইট newson air.gov.in আৰু Youtube চেনেল News on air Official তো উপলব্ধ হ'ব।

০০০

পৰ্যটন মন্ত্ৰালয়ে উত্তৰ-পূৰ্বাঞ্চলত পৰ্যটনৰ অপাৰ সম্ভাৱনা সম্পৰ্কে সজাগতা সৃষ্টিৰ বাবে কাইলৈৰ পৰা শ্বিলঙত আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলা অনুষ্ঠিত কৰিব। এই মেলাত পৰ্যটন মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে মুকলি

কৰাৰ কথা। অনুষ্ঠানত উত্তৰ-পূবৰ আটাইকেইখন ৰাজ্যৰ পৰ্যটন মন্ত্ৰীসকল উপস্থিত থাকিব। তিনিদিনীয়া কাৰ্যসূচীৰে আয়োজিত এই পৰ্যটন মেলাই উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন পৰ্যটন সংস্থাৰ প্ৰতিনিধিসকলক দেশৰ বিভিন্ন প্ৰান্তৰ আৰু বিদেশৰো প্ৰতিনিধিৰ সৈতে মত বিনিময়ৰ বাবে এখন মঞ্চ প্ৰদান কৰিব। পৰ্যটন মন্ত্ৰ্যালয়ে প্ৰতি বছৰে উত্তৰ-পূৰ্বাঞ্চলৰ যিকোনো এখন ৰাজ্যত এই কাৰ্যসূচীৰ আয়োজন কৰি আহিছে। নিম্ন কাৰ্বন নিৰ্গমনৰ নীতি গ্ৰহণ কৰি পৰিকল্পনা কৰা এই কাৰ্যসূচীত সেউজ বা পৰিৱেশ অনুকূল কাৰ্যসূচী হিচাপেও গণ্য কৰা হৈছে। পৰিৱেশ মন্ত্ৰ্যালয়ৰ মিছন লাইফ অভিযানৰ ৰূপায়ণৰ বাবে গ্ৰহণ কৰা কৰ্মসূচীৰ দফা অনুসৰি এই অনুষ্ঠান আয়োজন কৰাৰ পৰিকল্পনা কৰা হৈছে। এই অনুসৰি অনুষ্ঠানত এবাৰ ব্যৱহাৰযোগ্য প্লাষ্টিক সম্পূৰ্ণৰূপে পৰিহাৰ কৰাৰ লগতে সমগ্ৰ ব্যৱস্থাক ডিজিটীয় আৰু কাগজবিহীন কৰি তোলা হ'ব। পৰ্যটন মেলাত উত্তৰ-পূবৰ আঠোখন ৰাজ্যই পৰ্যটন ক্ষেত্ৰৰ নতুন সম্ভাৱনা আৰু নকৈ বিকশিত পৰ্যটন স্থানসমূহৰ বিষয়ে প্ৰকাশ কৰাৰ সুযোগ পাব। চৰকাৰী আৰু ব্যক্তিগতখণ্ডৰ বিশেষজ্ঞসকলে অঞ্চলটোত যোগাযোগ ব্যৱস্থাৰ উন্নয়ন সম্পৰ্কে ব্যাখ্যা কৰিব। উল্লেখযোগ্য যে উত্তৰ-পূৰ্বাঞ্চলত বিগত কেইটামান বছৰত বিমান যোগাযোগৰ ক্ষেত্ৰত উন্নতি পৰিলক্ষিত হৈছে। সম্প্ৰতি অঞ্চলটোত ১৬টা বিমান বন্দৰৰ পৰা বিমান উৰণৰ সুবিধা আছে।

০০০

সমাপ্ত